**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-10-2026
**Time :** 1340 HRS.

ASSAMESE NSD MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মহিলা আৰু শিশু বিকাশ বিভাগৰ দুদিনীয়া শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ তিনিদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে ছিংগাপুৰলৈ ৰাওনা হৈছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পদাতিক বাহিনীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোৰ সকলো বিষয়া-কৰ্মচাৰীৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গক শুভেচ্ছা জনাইছে।

৪। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই বিশ্ব ডাক দিৱস উপলক্ষে ডাক সেৱকসকলক অভিনন্দন জনাইছে।

আৰু

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাঁচীত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মহিলা আৰু শিশু বিকাশ বিভাগৰ দুদিনীয়া শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কালি আৰম্ভ হোৱা এই সন্মিলনত সকলো ৰাজ্যৰ ৰাজনৈতিক নেতা আৰু মহিলা তথা শিশুৰ বিকাশৰ সৈতে জড়িত বিষয়াসকলে অংশ লৈছে। সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ সুদৃঢ় কৰা, ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ প্ৰতি সমূহীয়া দায়িত্বৰ ভাবনাৰ প্ৰসাৰ আৰু কেন্দ্ৰ তথা ৰাজ্যৰ মাজত উন্নত সমন্বয়েৰে লক্ষ্যত উপনীত হোৱাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা পৰিকল্পনা অনুযায়ী আয়োজন কৰা বিভাগীয় শীৰ্ষ সন্মিলন শৃংখলাৰ এয়া দ্বিতীয়খন সন্মিলন। এই সন্মিলনত পৰিপুষ্টি, প্ৰাৰম্ভিক শিক্ষা, শিশুৰ সুৰক্ষা, মহিলাৰ সুৰক্ষা আৰু সৱলীকৰণকে ধৰি চাৰিটা মূল বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ তিনিদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে ছিংগাপুৰলৈ ৰাওনা হৈছে। এই ভ্ৰমণকালত শ্ৰীমতী সীতাৰমন ছিংগাপুৰৰ নেতৃবৰ্গ, আগশাৰীৰ ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলকৰ সৈতে এলানি উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ ৰাষ্ট্ৰপতি থৰ্মন ছন্মুগৰত্নম আৰু প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ সৈতে বৈঠকত মিলিত হ'ব। বিত্তমন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰী গেন কিম য়ং আৰু বিদেশমন্ত্ৰী ড° ভিভিয়ান বালাকৃষ্ণণকো দেখা কৰিব। এই বৈঠকত ভাৰত আৰু ছিংগাপুৰৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহে স্থান লাভ কৰিব। ছিংগাপুৰৰ বিনিয়োগকাৰীৰ সৈতে হ'বলগীয়া বৈঠকৰ অংশ হিচাপে শ্ৰীমতী সীতাৰমনে হেজ ফাণ্ড অৰ্থাৎ বিকল্প বিনিয়োগ পুঁজি আৰু প'ৰ্টফলিঅ' ফাণ্ড অৰ্থাৎ সমুহীয়া বিনিয়োগ পুঁজিৰ প্ৰবন্ধকসকলৰ সৈতে ঘূৰণীয়া মেজমেলত ভাগ ল'ব। তেওঁ লগতে চৰকাৰ আৰু আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ মাজৰ বৈঠকত ছিংগাপুৰ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আগশাৰীৰ বিনিয়োগকাৰী, বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যৱসায়ীৰ সৈতে আলোচনাত মিলিত হ'ব। এই আলোচনাই গোলকীয় বিনিয়োগকাৰীসকলৰ সৈতে ভাৰতৰ বিকাশ যাত্ৰা, বিনিয়োগৰ সুযোগ আৰু পৰিৱৰ্তিত গোলকীয় আৰ্থিক আৰু বিত্তীয় বাতাবৰণক লৈ মত বিনিময়ৰ সুযোগ প্ৰদান কৰিব। শ্ৰীমতী সীতাৰমনে ভ্ৰমণকালত ব্যৱসায়ী জগতৰ কাণ্ডাৰী আৰু আগশাৰীৰ গোলকীয় বিত্তীয় প্ৰতিষ্ঠান, বিনিয়োগ প্ৰতিষ্ঠান আৰু স্বাস্থ্য সেৱা কোম্পানীৰ মুৰববীসকলৰ সৈতেও এলানি বৈঠকত মিলিত হ'ব।

উল্লেখযোগ্য যে ভাৰতৰ সৰ্ববৃহৎ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উৎসসমূহৰ ভিতৰত ছিংগাপুৰ অন্যতম। দেশখনে ২০০০ চনৰ এপ্ৰিলৰ পৰা চলিত বৰ্ষৰ মাৰ্চ পৰ্যন্ত প্ৰায় ১৯ হাজাৰ ৪৬৮ কোটি ডলাৰ বিনিয়োগ কৰিছে।

০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কৈছে যে, ভাৰতৰ টেলিকম আৰু ডিজিটেল খণ্ডত বিগত এক দশকৰো অধিক কালত উল্লেখযোগ্য ৰূপন্তৰ হৈছে আৰু বৈশ্বিক মঞ্চত জিলিকি উঠিবলৈ সমৰ্থ হৈছে। নতুন দিল্লীত ভাৰত মোবাইল কংগ্ৰেছত এখন সংবাদমেলত শ্ৰী সিন্ধিয়াই কয়, যে থলুৱাভাৱে 4G ষ্টেক বিকশিত কৰি তোলা ভাৰত বিশ্বৰ পঞ্চমখন দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে সম্প্ৰতি এক গিগাবাইট ডেটাৰ মূল্য  পূৰ্বৰ ২৬৮ টকাৰ পৰা ৮ টকাৰো কম হৈছে। শ্ৰী সিন্ধিয়াই লগতে কয় যে ভাৰতে ২০৩০ চনৰ ভিতৰত 5G ব্যৱহাৰকাৰীৰ সংখ্যা ১০০ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

*(বাইট ঃ জ্যোতিৰাদিত্য)*

মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত বিশ্বৰ দ্ৰুততম 5G প্ৰদানকাৰী দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে ভাৰতে পূৰ্বে আমদানি কৰা টেলিকম সা-সঁজুলি আৰু বিদেশী প্ৰযুক্তিত নিৰ্ভৰ কৰিছিল যদিও বৰ্তমান এই ক্ষেত্ৰত দেশ বহু পৰিমাণে স্ব-নিৰ্ভৰশীল হৈ উঠিছে।

০০০০০

আজি ভাৰতীয় বৈদেশিক সেৱা দিৱস। এই উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ লগতে ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ সেৱাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে বন্ধুত্বৰ বন্ধন শক্তিশালী কৰিবলৈ প্ৰবাসী ভাৰতীয়ৰ কল্যাণৰ পৰা আৰম্ভ কৰি বিশ্বৰ অন্যান্য দেশৰ সৈতে সহযোগিতা বৃদ্ধিলৈকে মন্ত্ৰালয়ে ৰাষ্ট্ৰ সেৱাৰ বাবে নিষ্ঠাৰে কাম কৰি যাব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পদাতিক বাহিনীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বাহিনীটোৰ সকলো বিষয়া-কৰ্মচাৰীৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে পদাতিক সৈন্য বাহিনীয়ে **নাগৰিকো, সৈনিকো** এই প্ৰেৰণাৰ উদাহৰণেৰে ৰাষ্ট্ৰক সেৱা কৰিবলৈ সাধাৰণ জনতাক উদ্বুদ্ধ কৰি আহিছে। সীমান্ত ৰক্ষাৰ পৰা আৰম্ভ কৰি দুৰ্যোগ সাহায্য আৰু ৰাষ্ট্ৰ নিৰ্মাণলৈকে এই বাহনীৰ নাগৰিক সৈনিকসকলে সাহস, নিষ্ঠা আৰু নিস্বাৰ্থ সেৱাৰ অতুলনীয় পৰম্পৰা দেখুৱাই আহিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী সিঙে বাহিনীটোৰ সৈনিকসকলক ৰাষ্ট্ৰৰ সেৱাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাক আৰু এখন সুৰক্ষিত, শক্তিশালী, আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ প্ৰতি আগবঢ়োৱা অমূল্য অৱদানৰ বাবে প্ৰশংসা কৰে।

০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই বিশ্ব ডাক দিৱস উপলক্ষে ডাক সেৱকসকলক অভিনন্দন জনাইছে। ৰাষ্ট্ৰৰ প্ৰতি ডাক সেৱকসকলৰ নিষ্ঠাপূৰ্ণ সেৱাৰ শলাগ লৈ মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই সেৱাক একপ্ৰকাৰৰ জনসেৱা বুলি অভিহিত কৰে। তেওঁ কয়, যে বৰ্তমানৰ ডিজিটেল যোগাযোগৰ যুগত ভাৰতীয় ডাক বিভাগেও জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে ডিজিটেল ৰূপান্তৰৰ পথ আঁকোৱালি লৈছে। ভাৰতীয় ডাক বিভাগে নিঃস্বাৰ্থভাৱে দেশৰ সেৱা কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে।

বাইট

০০০০০

কেন্দ্ৰীয় চৰকাৰে কন্যা শিশুৰ নিৰাপত্তা আৰু শিক্ষা সুনিশ্চিত কৰা, কন্যাৰ বাবে সম সুযোগৰ প্ৰসাৰ তথা কন্যা ভ্ৰূণ হত্যা প্ৰতিৰোধৰ উদ্দেশ্যে ২০১৫ চনত বেটী বচাও বেটী পঢ়াও অভিযান আৰম্ভ কৰিছিল। বিগত দশকত এই অভিযান গণ আন্দোলনলৈ পৰিণত হৈছে। এই অভিযানে কন্যাসকলৰ নিৰাপত্তা, শিক্ষা আৰু সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আহিছে। তদুপৰি ইয়াৰ জৰিয়তে বিদ্যালয়ত নামভৰ্তি, মাজতে বাদ নপৰাকৈ শিক্ষা গ্ৰহণ, সুৰক্ষিত মাতৃত্ব, মাহেকীয়া সময়ৰ পৰিচ্ছন্নতা আদিৰ প্ৰসাৰৰ লগতে কন্যা শিশুৰ প্ৰতি সমাজৰ ধাৰণাৰ ইতিবাচক পৰিৱৰ্তনক উৎসাহিত কৰা হৈছে।

এই অভিযানে বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, স্বাস্থ্য কৰ্মী আৰু পঞ্চায়তসমূহৰ জৰিয়তে সজাগতা আৰু অংশগ্ৰহণ শক্তিশালী কৰিছে। তথ্য অনুসৰি ২০১৪-১৫ চনত প্ৰতি হাজাৰ ল'ৰাৰ বিপৰীতে কন্যাশিশুৰ জন্মৰ সংখ্যা ৯১৮ৰ পৰা ২০২৩-২৪ চনত ৯২৯লৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত উচ্চতৰ মাধ্যমিক পৰ্যায়ত কন্যাৰ মুঠ নামভৰ্তিৰ হাৰ ৭৫ দশমিক ৫-১ শতাংশৰ পৰা ৮০ দশমিক ২ শতাংশলৈ বৃদ্ধি হৈছে। বিগত ১০ বছৰত বেটী বচাও বেটী পঢ়াও অভিযানে চৰকাৰৰ আঁচনিৰ পৰা এটা শক্তিশালী সামাজিক আন্দোলনলৈ পৰিণত হৈছে, যিয়ে প্ৰতিটো কন্যা শিশুৰ মৰ্যাদা, শিক্ষা আৰু সম সুযোগৰ প্ৰসাৰ কৰিছে।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাঁচীত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰতে অধিনায়ক শ্ৰেয়াছ আয়াৰৰ আকৰ্ষণীয় শতকৰ সহায়ত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

ooooo

বিশ্ব বেংকে পাৰ্বত্য দেশ নেপালত আগষ্টত হোৱা বিধ্বংসী বানত প্ৰত্যক্ষ ক্ষয়-ক্ষতিৰ পৰিমাণ ১ দশমিক ৬ - ৬ বিলিয়ন আমেৰিকান ডলাৰ বুলি ঠাৰৰ কৰিছে। হিচাপ অনুসৰি মুঠ ক্ষয়-ক্ষতিৰ পৰিমাণ – আন্তঃগাঁথনি ধ্বংসৰ বাবে ৮৩ শতাংশ, বাসগৃহ ধ্বংসৰ বাবে ১১ শতাংশ আৰু অন্যান্য ভৱন ধ্বংসৰ বাবে ৬ শতাংশ ধাৰ্য কৰা হৈছে। নেপাল চৰকাৰে সামগ্ৰিক দুৰ্যোগত হোৱা ক্ষতিৰ পৰিমাণ প্ৰায় ২ দশমিক ৭ বিলিয়ন আমেৰিকান ডলাৰ বুলি প্ৰকাশ কৰিছে। এই বিধ্বংসী বানত কেইবাটাও জলবিদ্যুৎ প্ৰকল্প, বিদ্যুৎ সৰবৰাহ নেটৱৰ্ক, পথ আৰু দলং ধ্বংস হয়। এই বানত দেশখনৰ সামগ্ৰিক জলবিদ্যুৎ আৰু সৌৰ শক্তিৰ প্ৰায় ১০ দশমিক ৬ শতাংশ প্ৰভাৱিত হয়। তদুপৰি কাঠমাণ্ডুক চীন সীমান্তৰে সংযোগ কৰা ৰাছুৱা বাণিজ্যিক কৰিডৰৰ ৫৫ কিলোমিটাৰ পথ প্ৰভাৱিত হয় আৰু ইয়াৰে ৪০ কিলোমিটাৰ সম্পূৰ্ণ ধ্বংস হয়।

ooooo

সমাপ্ত